**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 02-09-2026**
**Time:** 19-10 Hrs

## *Assamese Evening Bulletin*
## *Headlines*

:::::::::::::::::::::::::::::::::::

১। নেপালৰ প্ৰলয়ংকাৰী বানত এতিয়ালৈকে এহেজাৰ ১২৭ জনৰো অধিক লোকৰ মৃত্যু হোৱাৰ লগতে ৪ হাজাৰ ৯০০ লোক এতিয়াও সন্ধানহীন হৈ আছে।

২। হিমালয় অঞ্চলত হোৱা জলবায়ু পৰিৱৰ্তনেই নেপালৰ দুৰ্যোগৰ মূল কাৰক বুলি নেপালৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে মন্তব্য কৰিছে।

৩। অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে আজি নতুন দিল্লীত বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ডং জীতেন্দ্ৰ সিঙক সাক্ষাৎ কৰে।

৪। ২০২৪ বৰ্ষৰ টেনজিং নৰ্গে ৰাষ্ট্ৰীয় দুঃসাহসিক ক্ৰীড়া বঁটা ঘোষণা কৰা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বঁটা প্ৰদান কৰিব। ***আৰু***

৫। চীনত অনুষ্ঠিত চীন মাষ্টাৰ্ছ ছেভেন ফিফটি প্ৰতিযোগিতাৰ একক শাখাত ভাৰতৰ কাদম্বি শ্ৰীকান্ত আৰু তনৱী শৰ্মা দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

oooo

নেপালৰ প্ৰলয়ংকাৰী বানত এতিয়ালৈকে এহেজাৰ ১২৭ জনৰো অধিক লোকৰ মৃত্যু হোৱাৰ লগতে ৪ হাজাৰ ৯০০ লোক এতিয়াও সন্ধানহীন হৈ আছে। উদ্ধাৰকাৰী দলসমূহে ধাৰাষাৰ বৰষুণ আৰু বোকাপানী তথা ধবংসাৱশেষৰ মাজত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে।

নেপালৰ প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে আজি নিম্ন সদনত এই তথ্য সদৰি কৰে। তেওঁ কয়, যে এই ভয়াবহ ধবংসযজ্ঞই হিমালয় অঞ্চলত প্ৰভাৱ বৃদ্ধি পোৱা জলবায়ুজনিত বিপদৰ এক স্পষ্ট সতৰ্কবাণী দিছে। এই সংকটৰ প্ৰভাৱ হ্ৰাস কৰাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে উমৈহতীয়া দায়িত্ব গ্ৰহণ কৰিব লাগিব বুলিও তেওঁ মন্তব্য কৰে। এই ভয়ংকৰ দুৰ্যোগে জলবায়ু পৰিৱৰ্তনৰ ফলত হিমালয় অঞ্চলত বসবাস কৰা লোকসকলৰ সন্মুখত গভীৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰি তেঁও কয় যে বিশেষজ্ঞসকলে উচ্চ হিমালয়ত হোৱা হিমস্খলনৰ এই ঘটনাক অঞ্চলটোৰ বৃহৎ দুৰ্যোগ হিচাপে চিহ্নিত কৰিছে।

উল্লেখযোগ্য যে যোৱা ২৬ আগষ্টৰ প্ৰলয়ংকাৰী বানে নেপালৰ ৰাচোৱা, নোৱাকুট আৰু ধাদিং নামৰ ৩ খন জিলা সম্পূৰ্ণৰূপে বিধবস্ত কৰি থৈ যায়। প্ৰধানমন্ত্ৰী বলেন্দ্ৰ শ্বাহে কয় যে দেশৰ এই গভীৰ সংকটৰ সময়ত নেতৃত্বই চকুৰ পানী টুকাৰ পৰিৱৰ্তে জনসাধাৰণক সাহস, সহায় আৰু আশ্বাস প্ৰদান কৰিব লাগিব। উদ্ধাৰ আৰু সাহায্য অভিযানৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে ক্ষতিগ্ৰস্ত অঞ্চলসমূহত নিৰাপত্তা সংস্থাসমূহক মোতায়েন কৰা হৈছে। স্থানীয় প্ৰশাসনক বিপদগ্ৰস্ত লোকসকলক নিৰাপদ স্থানলৈ স্থানান্তৰ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী শ্বাহে কয় যে নেপাল সেনাৰ হেলিকপ্টাৰে উদ্ধাৰ আৰু সাহায্য অভিযান চলাই আছে। প্ৰয়োজনত ব্যক্তিগত হেলিকপ্টাৰো উদ্ধাৰ অভিযানত ব্যৱহাৰৰ বাবে সাজু কৰি ৰখা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে জনোৱা মতে, নেপালে ইতিমধ্যে কেইবাখনো দেশ আৰু সংস্থাৰ পৰা সাহায্য লাভ কৰিছে। ভাৰত, চীন, আমেৰিকা যুক্তৰাষ্ট্ৰ, জাপান, এছিয়ান ডেভেলপমেণ্ট বেংক,

বিশ্ববেংক, ইউৰোপীয় সংঘ আৰু ৰাষ্ট্ৰসংঘৰ সংস্থাই নেপাললৈ সহায়ৰ হাত আগবঢ়াইছে। তেওঁ কয় যে এতিয়ালৈকে প্ৰধানমন্ত্ৰী সাহায্য পুজিত ৭ বিলিয়নতকৈ অধিক নেপালী টকা সংগ্ৰহ হৈছে।

এই প্ৰলয়ংকাৰী বানত মৃত্যু হোৱা লোকসকলৰ পৰিয়ালক আৰ্থিক সাহায্য প্ৰদানৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে ক্ষতিগ্ৰস্ত অঞ্চলসমূহক ৩ মাহৰ বাবে সংকটাপন্ন অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। এই দুৰ্যোগত আহত লোকসকলৰ চিকিৎসা বিনামুলীয়াকৈ কৰা হ'ব বুলিও তেওঁ জানিবলৈ দিয়ে।

আনহাতে, ভাৰতে নেপাললৈ সম্ভৱপৰ সকলো সাহায্য আগবঢ়াই আছে। নেপালত থকা ভাৰতৰ ৰাষ্ট্ৰদূত গৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে আজি দুপৰীয়া সাহায্য আৰু উদ্ধাৰ সামগ্ৰী কঢ়িয়াই নিয়া ভাৰতৰ পঞ্চমখন বিমান নেপালত উপস্থিত হৈছে। বিমানখনত বিশেষ উদ্ধাৰ সজুলিৰে সজ্জিত ১১ জনীয়া এটা উদ্ধাৰকাৰী দল আছে। বাৰ্তাটোত তেওঁ উল্লেখ কৰা মতে, বিমানখনত ৫ দশমিক ৫ টন অত্যাৱশ্যকীয় ঔষধ কঢ়িয়াই নিয়া হৈছে।

০০০০

অসম বিধানসভাৰ অধ্যক্ষ ৰণজিৎ কুমাৰ দাসে আজি নতুন দিল্লীত বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জীতেন্দ্ৰ সিঙক সাক্ষাৎ কৰে। সাক্ষাৎকালত দুয়োগৰাকী নেতাই অসমৰ পৰিৱৰ্তিত পৰিস্থিতি আৰু দেশৰ উন্নয়নৰ ক্ষেত্ৰত অসমৰ কৰ্মবৰ্ধমান গুৰুত্বৰ বিষয়ে আলোচনা কৰে। এই আলোচনাত ড° জীতেন্দ্ৰ সিঙে অসমত দ্ৰুতগতিত চলি থকা উন্নয়নমূলক কাম-কাজৰ বিষয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্যক্তিগত ইচ্ছাৰ বাবেই ৰাজ্যখনৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পই গতি লাভ কৰিছে বুলিও তেওঁ মন্তব্য কৰে। বিগত এটা দশকত অসমত হোৱা উন্নয়নৰ বিষয়েও আলোচনাত ঠাই পাই। মন্ত্ৰীগৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলত উদ্ভাৱন, বৈজ্ঞানিক গৱেষণা আৰু প্ৰযুক্তি নিৰ্ভৰ উন্নয়নক আগুৱাই নিয়াটো কেন্দ্ৰীয় চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰ বুলি ৰণজিৎ কুমাৰ দাসক অৱগত কৰে। আলোচনাৰ সময়ত অসমৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ আন্তঃগাথনি অধিক সম্প্ৰসাৰণৰ সম্ভাৱনা আৰু যুৱ প্ৰজন্মৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ বিষয়েও আলোচনা কৰা হয়। ইয়াৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগ তথা জৈৱ প্ৰযুক্তি বিভাগৰ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়।

০০০০

কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই আজি মধ্য প্ৰদেশৰ শিৱপুৰীত দুটাকৈ গুৰুত্বপূৰ্ণ প্ৰকল্পৰ শুভাৰম্ভ কৰে। তেওঁ শিৱপুৰীত আধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰি উলিওৱা মুখ্য ডাকঘৰটো উদ্বোধন কৰে। এতিয়াৰে পৰা স্থানীয় ৰাইজে একেটা স্থানতে স্পীড পোষ্ট, সঞ্চয় বেংক, ডাক জীৱন বীমা, আধাৰ আৰু বিভিন্ন বিত্তীয় সেৱা লাভ কৰিব পাৰিব। ইয়াৰোপৰি মন্ত্ৰীগৰাকীয়ে শিৱপুৰীৰ কাকৰৱায়াত দেশৰ সপ্তমটো ডাক প্ৰশিক্ষণ কেন্দ্ৰ স্থাপনৰ বাবে ভূমিপূজন অনুষ্ঠানত অংশগ্ৰহণ কৰে। প্ৰায় ৯১ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হবলগীয়া এই প্ৰশিক্ষণ কেন্দ্ৰটোত মধ্য প্ৰদেশৰ লগতে চুবুৰীয়া ৰাজ্যসমূহৰ ডাক বিভাগৰ কৰ্মচাৰীসকলক উন্নত প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। এই কেন্দ্ৰটোৱে ডাক বিভাগৰ কৰ্মচাৰীসকলক দক্ষতা বৃদ্ধিৰ লগতে দেশৰ ডাক সেৱা অধিক শক্তিশালী আৰু উন্নত কৰাত সহায় কৰিব।

০০০০

২০২৪ বৰ্ষৰ টেনজিং নৰ্গে ৰাষ্ট্ৰীয় দুঃসাহসিক বঁটা ঘোষণা কৰা হৈছে। দেশৰ বিভিন্ন খণ্ডৰ দুঃসাহসিক ক্ৰীড়াসমূহত দেখুওৱা পাৰদৰ্শিতাৰ বাবে এই বঁটা আগবঢ়োৱা হয়। দুঃসাহসিক জলক্ৰীড়াৰ বাবে ৰিমু সাহা আৰু জীৱনযোৱা সাফল্যৰ শাখাত শিৱপ্ৰসাদ চামোলিলৈ এই বঁটা আগবঢ়োৱা হৈছে। আনহাতে দুঃসাহসিক

স্থলক্ৰীড়া শাখাত বলজিৎ কৌৰ আৰু স্কালজেন ৰিগজিনলৈ টেনজিং নৰ্গে ৰাষ্ট্ৰীয় দুঃসাহসিক বঁটা আগবঢ়োৱা হৈছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বঁটা প্ৰদান কৰিব।

০০০০

কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে দেশৰ শক্তি সুৰক্ষা - ৰাষ্ট্ৰীয় নিৰাপত্তা, কৌশলগত স্বাৱলম্বিতা আৰু অৰ্থনৈতিক স্থিতিস্থাপকতাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত বুলি মন্তব্য কৰিছে। আজি নতুন দিল্লীত পি এইচ ডি চেম্বাৰ্ছ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীয়ে আয়োজন কৰা ষষ্ঠ আন্তঃৰাষ্ট্ৰীয় জলবায়ু সন্মিলনত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে দেশৰ শক্তিখণ্ডক অধিক স্বনিৰ্ভৰ, দেশীয়, সুলভ আৰু উন্নত প্ৰযুক্তিনিৰ্ভৰ কৰি তোলাৰ বাবে আহ্বান জনায়। তেওঁ কয় যে বৰ্তমানৰ সময় হৈছে নিকা শক্তি ব্যৱহাৰৰ জৰিয়তে নিৰাপদ আৰু বহনক্ষম শক্তিৰ ভৱিষ্যতৰ দিশে আগবাঢ়ি যোৱাৰ সময়। ভাৰতে বিশ্বজুৰি অধিক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণৰ বাবে আগবাঢ়ি যোৱাৰ লগে লগে শক্তিখণ্ডৰ বিশ্বজনিন ধাৰা আৰু প্ৰযুক্তিগত বিকাশৰ সৈতেও খোজ মিলাই যাব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। বহুমুখী পথ অৱলম্বন কৰি শক্তি সুৰক্ষা নিশ্চিত কৰাৰ ক্ষেত্ৰত ভাৰতে গুৰুত্ব দি আহিছে বুলি উল্লেখ কৰি ড° সিঙে কয় যে পাৰমানৱিক শক্তি এই ক্ষেত্ৰত অন্যতম গুৰুত্বপূৰ্ণ উৎস। জৈৱ ইন্ধন আৰু পৰিবেশ অনুকুল অৰ্থনীতিৰ জৰিয়তে ভাৰতে নিকা শক্তি ব্যৱহাৰত শীঘ্ৰে উচ্চস্থান দখল কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে কৃষি, স্বাস্থ্য, জলসিঞ্চন, সাৰ আৰু পৰিবহনৰ দৰে বিভিন্ন খণ্ডৰ চাহিদা ক্ৰমাৎ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত নিকা শক্তিৰ প্ৰযুক্তিৰ বিকাশ আৰু ব্যৱহাৰৰ গতি অব্যাহত ৰখাটো অতি প্ৰয়োজনীয়। মন্ত্ৰীগৰাকীয়ে পি এইচ ডি চেম্বাৰ্ছ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰীক চৰকাৰ আৰু বেচৰকাৰী খণ্ডৰ মাজৰ সংযোগৰ হেতু আৰু পৰিবৰ্তনৰ অনুঘটক হিচাপে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে উদ্যোগ আৰু পেছাদাৰী সংস্থাসমূহে চৰকাৰ আৰু বেচৰকাৰী খণ্ডক একত্ৰিত কৰাৰ লগতে ২০৪৭ চনৰ ভিতৰত ভাৰতক এখন উন্নত ৰাষ্ট্ৰ হিচাপে গঢ়ি  তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ কাইলৈ তিনিদিনীয়া ভ্ৰমণসূচীৰে ইউক্ৰেন আৰু পোলেণ্ডলৈ যাব। এই ভ্ৰমণকালত ড° জয়শংকৰে ইউক্ৰেনৰ বিদেশ মন্ত্ৰী আন্দ্ৰী ছিবিহা আৰু পোলেণ্ডৰ উপ প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী ৰাডোস্লাভ ছিক'ৰস্কিৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই ভ্ৰমণকালত দেশ দুখনৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰাত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে আঞ্চলিক ঘটনাক্ৰম আৰু পাৰস্পৰিক স্বাৰ্থ জড়িত বিভিন্ন বিষয়লৈ মত বিনিময়ৰ সুযোগ প্ৰদান কৰিব বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে।

০০০০

চীনত অনুষ্ঠিত চীন মাষ্টাৰ্ছ ছেভেন ফিফটি প্ৰতিযোগিতাৰ একক শাখাত ভাৰতৰ কাদম্বি শ্ৰীকান্ত আৰু তনৱী শৰ্মা দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। ২০২১ চনৰ বিশ্ব ছেম্পিয়নশ্বিপৰ ৰূপৰ পদক বিজয়ী কাদম্বী শ্ৰীকান্তে উদ্বোধনী খেলখনত চীনা টাইপেয়ীৰ চি ইউ জেনক ২১-১৬, ২১-১৫ পোনপটীয়া ছেটত পৰাস্ত কৰি দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। পুৰুষৰ দ্বৈত শাখাত সত্তিকসাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটীটোৱে পৰৱৰ্তী ৰাউণ্ডত প্ৰৱেশ কৰিছে। মিক্সড ডাবলছৰ যুটী ধ্ৰুৱ কপিলা আৰু তনিশা ক্ৰাষ্টোৰ যুটীটোও দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ